**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-11-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

পঞ্চদশ অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ কালি সামৰণি পৰে। এই অধিবেশনত ন-পুৰণি মুঠ ৩৩ খন বিধেয়ক গৃহীত হয়। কালি অন্তিম দিনা শিক্ষা বিভাগৰ ৬ খন বিধেয়ককে ধৰি মুঠ ১১ খন বিধেয়ক গৃহীত হয়। ইয়াৰ ভিতৰত শিক্ষক-শিক্ষয়িত্ৰীৰ সেৱা প্ৰাদেশিকীকৰণ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ পুনৰ গঠন সংশোধনী বিধেয়ক ২০২৫, অসম বেচৰকাৰী শৈক্ষিক প্ৰতিষ্ঠানৰ মাচুল নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৫ আৰু শিক্ষকৰ নিয়োগ আৰু বদলিকৰণ বিধেয়কো আছে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, যে ৰাজ্যৰ অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানসমূহত কৰ্মৰত শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণৰ সমস্যা সমাধানৰ বাবে ২০১৭ চনৰ প্ৰাদেশিকীকৰণ আইনৰ চৰ্তসমূহ শিথিল কৰা হৈছে। ২০০৬ চনৰ ১ জানুৱাৰীৰ পূৰ্বে ৰাজ্যত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ হ'ব বুলি তেওঁ উল্লেখ কৰে।

ৰাজ্যৰ জনজাতীয় খণ্ড আৰু বেষ্টনীৰ অধীনৰ ভূমি সমস্যা সমাধানৰ বাবে ১১ খন জিলাত ভূমি ন্যায়াধীকৰণ স্থাপন কৰাৰ বাবেও কালি সিদ্ধান্ত লোৱা হয়। সদনত কালি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই এই বিষয়ে সদৰি কৰে। সদনত অসম জিলা ভূমি ন্যায়াধীকৰণ বিধেয়ক ২০২৫ গৃহীতকৰণৰ পূৰ্বে বিৰোধী দলৰ বিধায়কসকলৰ সংশোধনী প্ৰস্তাৱৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সদনত কালি ২০২৩-২৪ বিত্তীয় বৰ্ষৰ দেশৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰতিবেদনসমূহ দাখিল কৰে। ইয়াৰ পাছতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সদনৰ কাম-কাজ অনিৰ্দিষ্টকাললৈ স্থগিত ঘোষণা কৰে।

০০০০

বিশ্বনাথ জিলাৰ গহপুৰত সংঘটিত ডকাইতি ঘটনাৰ সৈতে জড়িত ২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। যোৱা ১৭ নৱেম্বৰত গহপুৰৰ পুৰুপবাৰীৰ এটা পেট্ৰল পাম্পৰ মেনেজাৰৰ বৈ থকা বাহনৰ পৰা অজ্ঞাত দুস্কৃতিকাৰীয়ে আঢ়ৈ লাখতকৈ অধিক টকা ডকাইতি কৰিছিল। গহপুৰ আৰক্ষীয়ে ধেমাজী আৰক্ষীৰ সহযোগত অভিযান চলাই কালি বহিঃৰাজ্যৰ দুজন লোকক গ্ৰেপ্তাৰ কৰে। দুস্কৃতিকাৰীয়ে ডকাইতৰ সময়ত ব্যৱহাৰ কৰা এখন দুচকীয়া বাহনো উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে লগতে গাড়ীৰ গ্লাছ ভাঙিবৰ বাবে ব্যৱহাৰ কৰা সামগ্ৰীও জব্দ কৰে। বিশ্বনাথ আৰক্ষীৰ অন্তৰ্গত গহপুৰ আৰক্ষী থানাত দুয়োজন লোকৰ জেৰা অব্যাহত আছে। গ্ৰেপ্তাৰ হোৱা লোক দুজন বিহাৰৰ বিৰাজ দাস আৰু ৰিংকু গোৱালা বুলি চিনাক্ত কৰা হৈছে।

০০০০

দেশজুৰি চলি থকা ফিট ইণ্ডিয়া কাৰ্যসূচীৰ অংশস্বৰূপে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ সহযোগত কোকৰাঝাৰ প্ৰেছ ক্লাৱে **চানডেজ অন চাইকেল** শীৰ্ষক পদক্ষেপ আৰম্ভ কৰিছে। এটা স্বাস্থ্যকৰ জীৱনশৈলীৰ লগতে সুস্বাস্থ্য বৰ্তাই ৰখাৰ ক্ষেত্ৰত সজাগতা অনাৰ উদ্দেশ্যে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

এই উপলক্ষে আজি জিলাখনৰ চাইৰ বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা এটা চাইকেল সমদল উলিওৱা হয়। এই সমদল জে ডি ৰোড হৈ পুনৰ চাই কেন্দ্ৰলৈ উভতি আহে।

০০০০

নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ দখলিকৃত মাটিত উচ্ছেদ অভিযান অব্যাহত আছে। কালি লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ চানখোলা, কান্দাপাৰা, জুৰিৰপাৰ, বেদেৰীপাৰ আৰু মাজগাঁৰত অবৈধভাৱে বাস কৰা পৰিয়ালসমহূক উচ্ছেদ কৰাৰ পাছত জিলা প্ৰশাসনে আৰক্ষী আৰু বন বিভাগৰ সহযোগত আজি দখলিকৃত বাকী অংশসমূহ দখলমুক্ত কৰাৰ বাবে অভিযান চলাইছে। নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জনোৱা মতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ কঠোৰভাৱে পালন কৰি অঞ্চলটোত উচ্ছেদ চলোৱা হৈছে। বছৰ বছৰ ধৰি দখল হৈ থকা বনাঞ্চলখনৰ পাঁচ হাজাৰ ৬৯২ বিঘা ভূমি খালী কৰাৰ ব্যৱস্থা কৰা হৈছে। দখলিকৃত ভূমিৰ এহেজাৰ ৫৪০ বিঘা মাটি লুটুমাৰীৰ আৰু বাকীখিনি কান্দাপাৰা, চানখোলা, বেদেৰীপাৰ, জুৰিৰপাৰ, কদমণি, মাজগাঁও, নিমবাগানলৈ বিস্তৃত হৈ আছে। প্ৰশাসনে দখলিকৃত ভূমি উচ্ছেদ কৰিবৰ বাবে ৫০ খন এক্সকেভেটৰ আৰু সহস্ৰাধিক নিৰাপত্তাৰক্ষীক নিয়োগ কৰিছে।

০০০০

সংসদৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। এই অধিৱেশন ১৯ ডিচেম্বৰত সামৰণি পৰিব। অধিৱেশনৰ পূৰ্বে চৰকাৰে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ উভয় সদনত ৰাজনৈতিক দলসমূহৰ নেতাসকলক সাক্ষাৎ কৰিব। বৈঠকত চৰকাৰে শীতকালীন অধিবেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন হোৱাতো সুনিশ্চিত কৰাৰ বাবে সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা বিচাৰিব। ১৯ ডিচেম্বৰ পৰ্যন্ত চলিবলগীয়া এই অধিবেশনৰ সময়ছোৱাত আলোচনা আৰু বিবেচনাৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত উত্থাপন কৰা হ'ব।

০০০০

আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ সমূহীয়া পৰিৱেশনৰ বাবে আজি আকাশবাণী গুৱাহাটীৰ চৌহদৰ খেলপথাৰত এটা বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইতিমধ্যে আৰম্ভ হোৱা এই অনুষ্ঠানত আকাশবাণী চৌহদৰ বাসিন্দাসকলৰ লগতে বহু কেইগৰাকী আমন্ত্ৰিত শিল্পীয়ে দুয়োগৰাকী শিল্পীৰ গীত পৰিৱেশন কৰিব।

০০০০

গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় উত্তৰ-পূব পেৰা স্পৰ্টছ মিটৰ কালি সামৰণি পৰে। অসমে ৫৩ টা সোণৰ পদকেৰে প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰে। প্ৰতিযোগিতাখনত অসমে ৫৩টা সোণ, ৫০ টা ৰূপ আৰু ৪৯ টা ব্ৰঞ্জসহ মুঠ ১৫২ টা পদকেৰে বিজয়ী হিচাপে পৰিগণিত হয়। অৰুণাচল প্ৰদেশে ৮৪ টা পদকেৰে দ্বিতীয় স্থান থাকে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

..................................